এম. চি. মেহতা

-বনাম-

ভাৰত চৰকাৰ আৰু অন্যান্য

১০ডিচেম্বৰ, ১৯৯৭

[ন্যায়াধীশ জে. এছ. ভাৰ্মা, মুখ্য ন্যায়াধীশ বি. এন. কিৰপাল আৰু ন্যায়াধীশ ভি, এন. খাৰে]

*পথৰ কাষৰ হোৰ্ডি(ডাঙৰ বিজ্ঞাপনফলক) - ফলশ্ৰুতিত হোৱা বিভ্ৰান্ত বাধা সুৰক্ষিত যান-বাহন চলাচলৰ দিশত- উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ১৯৯৭চনৰ ২০নং নিৰ্দেশ- এই নিৰ্দেশত পথৰ কাষৰ হোৰ্ডিং আঁতৰাবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ প্ৰদান কৰিছে- উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা আদেশ অনুসৰি কৰ্তৃপক্ষই গ্ৰহণ কৰা পদক্ষেপসমূহ- দিল্লী আউটডৰ এডভাৰ্টাইজাৰ্ছ এছ'চিয়েশ্যনৰ দ্বাৰা আদেশটোৰ স্পষ্টীকৰণ আৰু সংশোধনৰ বাবে দাখিল কৰা আবেদন- কৰ্তৃপক্ষক স্বেচ্ছাচাৰীভাৱে কাম কৰিবলৈ সক্ষম কৰে বুলি দিয়া যুক্তি শুদ্ধ নহয় বুলি উপস্থাপন কৰিছে- উপস্থাপন কৰে যে, উচ্চতম ন্যায়ালয় প্ৰদান কৰা আদেশ সম্পূৰ্ণস্পষ্ট আছিল আৰু সংশ্লিষ্ট সকলো কৰ্তৃপক্ষই সঠিকভাৱে বুজি পাইছিল- ফলস্বৰূপে আদেশৰ স্পষ্টীকৰণৰ বাবে আবেদন প্ৰত্যাখ্যান কৰা হৈছিল।*

**মৌলিক ক্ষেত্ৰাধিকাৰ**- লেখ আবেদন (চি) নং ১৩০২৯-১৯৮৫ ইত্যাদি।

(ভাৰতৰ সংবিধানৰ ৩২নং অনুচ্ছেদৰ অধীনত)

আবেদনকাৰীৰ পক্ষত ব্যক্তিগত উপস্থিতি।

অতিৰিক্ত চোলিচিটাৰ জেনেৰেল- এম. এছ. উসগাঁওকাৰ, এইচ. এন. চালভে, জি. ৰামস্বামী, মুকুল মুদগল, এ. এন. ৰাও, ৱাছিম এ. কাদৰী, শ্ৰীমতী নিৰঞ্জনা সিং, পি. পৰমেশ্বৰন, অৰবিন্দ কুমাৰ শৰ্মা, শ্ৰীমতী ইন্দ্ৰ সাহনী, শ্ৰীমতী অনুভা জৈন, শ্ৰী নাৰায়ন, সন্দীপ নাৰায়ন, আৰ. কে. কাপুৰ, পি. বাৰ্মা, আনিস আহমেদ খান, এছ. এন. সিক্কা, বিজয় পানৱানী, ৰঞ্জিত কুমাৰ, কৈলাশ বাসদেৱ, ছলমান খুৰ্ছিদ, আৰ. কে. খান্না, পি. এছ. ৰমন, বিনীত কুমাৰ, ত্ৰিপুৰাৰী ৰায়, এছ. মানিকলাল, এজাজ মকবুল, প্ৰমোদ কুমাৰ শৰ্মা, এ.এছ. সান্দিয়ক, ৰাজীৱ দত্ত, এইচ. এছ. আনন্দ, আৰ. শশীপ্ৰভু, আৰ. কে. মহেশ্বৰী, অশোক মাথুৰ, ভি. বি. সহৰ্যা, আৰ. পি. গুপ্তা, এ. কে. শৰ্মা, সতীশ আগৰৱাল, এ. এ. খান, এল. কে. পাণ্ডে, এছ. বি. উপাধ্যায়, এছ. আৰ. চেটিয়া, সঞ্জয় পাৰিখ, ডি. কে. গাৰ্গ, ডি. এছ. মেহৰা উপস্থিত দলসমূহৰ পক্ষত।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিলঃ

আই. এ. নং ১১।

আবেদনখন নিষ্পত্তি কৰা হৈছে।

আই. এ. নং ১২।

এই আবেদন দিল্লী আউটডৰ এডভাৰ্টাইজাৰ্ছ এছ'চিয়েশ্যনে কৰিছে। আবেদনত থকা অনুৰোধটো ১৯৯৭চনৰ ২০নৱেম্বৰ তাৰিখৰ নিৰ্দেশটোৰ স্পষ্টীকৰণ/পৰিৱৰ্তনৰ বাবে কৰা হৈছিল, যিহেতু ই পথৰ কাষত থকা আৰু সুৰক্ষিত যান-বাহন চলাচলত ব্যাঘাত সৃষ্টি কৰা সকলো হোৰ্ডিং আঁতৰোৱাৰ বাবে দিয়া নিৰ্দেশনাৰ সৈতে সম্পৰ্কিত। আবেদনকাৰীৰ হৈ জ্যেষ্ঠ পৰামৰ্শদাতা শ্ৰী জি. ৰামস্বামী আৰু বিদ্বান এমিকাচ কিউৰি(আদালতৰ বন্ধু) কথা শুনি আমি সন্তুষ্ট হৈছো যে, এই আবেদন নাকচ কৰিব লাগিব। আমি এম. চি. ডি.-ৰ আয়ুক্তই প্ৰকাশ কৰা জাননীখন পৰ্যবেক্ষণ কৰি দিল্লীৰ সকলো বিজ্ঞাপনদাতা/হোৰ্ডিংৰ মালিকসকলক এনে হোৰ্ডিংবোৰ আঁতৰাবলৈ সতৰ্ক কৰি দিছো আৰু লগতে কিছুমান ব্যক্তিয়ে জাননীখন মানি নচলাৰ ফলত, পিছতো জাননী জাৰি কৰা হয়। আমি সন্তুষ্ট যে, এই হোৰ্ডিংবোৰ চিনাক্ত কৰিবলৈ আৰু আঁতৰাবলৈ লোৱা পদক্ষেপবোৰ সঠিক দিশত হৈছিল। শ্ৰী জি. ৰামস্বামীয়ে দাখিল কৰিছিল যে, এই নিৰ্দেশে কৰ্তৃপক্ষক ইচ্ছাকৃতভাৱে কাম কৰিবলৈ আৰু তেওঁলোকৰ ইচ্ছা অনুসৰি যিকোনো হোৰ্ডিং আঁতৰাবলৈ সক্ষম কৰে, যাক অনুমতি দিয়া উচিত নহয়। আমাৰ মতে, এনে ধাৰণা সঠিক নহয়। ১৯৯৭চনৰ ২০নৱেম্বৰত এই আদালতৰ দ্বাৰা দিয়া নিৰ্দেশ ইলেক্ট্ৰনিক মিডিয়াৰ জৰিয়তে প্ৰচাৰৰ প্ৰয়োজনীয়তা সমন্বিত নিৰ্দেশ আৰু যি স্পষ্টভাৱে প্ৰত্যেকেই জ্ঞাত। আবেদনকাৰীসকল এনে এক শ্ৰেণীৰ অন্তৰ্গত যি নিঃসন্দেহে আদেশ লগতে ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত। তাৰপিছতো, পালন কৰাৰ প্ৰয়োজনীয়তা থকা এক জাননী বাতৰি

কাকতত প্ৰকাশ কৰা হৈছিল আৰু তাৰোপৰি অৱহেলা অব্যাহত থাকিলে, ব্যক্তিগত জাননী জাৰি কৰা হৈছে, যিবোৰৰ কিছুমান বিদ্বান পৰামৰ্শদাতাই আমাক দেখুৱাইছে। সেয়েহে, প্ৰতিজন ব্যক্তিৰ বাবে পৰ্যাপ্ত জাননী জাৰি হৈছে আৰু শ্ৰী ৰামস্বামীয়ে পৰামৰ্শ দিয়া ধৰণৰ জাননী কোনো বিজ্ঞাপনদাতা/হোৰ্ডিংৰ গৰাকীলৈ দিয়াৰ প্ৰয়োজন নাই। ১৯৯৭চনৰ ২০নৱেম্বৰৰ নিৰ্দেশটো যথেষ্ট স্পষ্ট আৰু কৰ্তৃপক্ষ লগতে সংশ্লিষ্ট সকলোৱে সঠিকভাৱে বুজি পাইছে। ইয়াৰ দ্বাৰা কৰ্তৃপক্ষক 'পথৰ কাষত থকা সকলো হোৰ্ডিং আঁতৰাবলৈ নিৰ্দেশ দিয়ে আৰু যিবোৰ বিপজ্জনক আৰু সুৰক্ষিতৰূপত যান-বাহনৰ চলাচলৰ বাবে ব্যাঘাতৰ কাৰণ হ'ব পাৰে"। নিৰ্দেশত অস্পষ্টতা নাই। এইকথাটো স্পষ্ট যে, পথৰ কাষত থকা ট্ৰেফিক চিহ্ন আৰু পথৰ চিহ্নৰ বাহিৰে প্ৰতিখন হোৰ্ডিঙ, প্ৰকাৰ নিৰ্বিশেষে আঁতৰাব লাগিব; প্ৰতিখন হোৰ্ডিং নিৰ্বিশেষে যি পথৰ কাষত থাককেই বা নাথাকক, যি বিপজ্জনক আৰু সুৰক্ষিত ট্ৰেফিক চলাচলত ব্যাঘাত সৃষ্টি কৰে, যাৰ দ্বাৰা যান-বাহনৰ মুক্ত আৰু সুৰক্ষিত প্ৰবাহত বিৰূপ প্ৰভাৱ পৰে, সেইবোৰ কৰ্তৃপক্ষই চিনাক্ত কৰিব লাগিব আৰু তৎক্ষণাত আঁতৰাব লাগিব। স্পষ্টভাৱে, বিপদজনক হোৰ্ডিঙে সুৰক্ষিত যান-বাহন চলাচলৰ ক্ষেত্ৰত ব্যাঘাত সৃষ্টি কৰে, যিবোৰ পথৰ যান-বাহনৰ বাবে দৃশ্যমান হোৰ্ডিং হ'ব লাগিব। এই নিৰ্দেশ আৰু ইয়াৰ ৰূপায়ণ কাৰ্য্যকাৰী কৰিবলৈ আন কোনো বিৱৰণ বা অধিক নিৰ্দেশনাৰ প্ৰয়োজন নাই। যদিও ২০.১১.১৯৯৭ তাৰিখৰ নিৰ্দেশ বিশদ আৰু অতি স্পষ্ট আছিল, তথাপিও এই পৰৱৰ্তী পৰ্যবেক্ষণবোৰে আমাৰ নিৰ্দেশৰ বিষয়বস্তু

আৰু প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত কাকো কোনো সন্দেহৰ আওতাত নাথাকিবলৈ দিয়া হৈছে।

আমি ১৯৯৭চনৰ ২০নৱেম্বৰৰ আমাৰ নিৰ্দেশত দিয়া নিৰ্দেশনাৰ পুনৰাবৃত্তি কৰোঁ যে, আনকি হোৰ্ডিঙৰ ক্ষেত্ৰতো আমি দিয়া নিৰ্দেশটো যিকোনো কৰ্তৃপক্ষ, আদালত বা ন্যায়াধিকৰণে প্ৰদান কৰা স্থগিতাদেশ স্ট্যেঅৰ্দাৰ/ইনজাংকচনকে ধৰি আন যিকোনো নিৰ্দেশ বা নিৰ্দেশনা থকা স্বত্বেও কাৰ্যকৰী কৰাটো প্ৰয়োজনীয়।

সেয়েহে, ইন্টাৰলকোটৰী এপ্লিকেচন(মধ্যস্থতাকাৰী আবেদন)ৰ নিষ্পত্তি কৰা হয়।

টি. এন. এ.

আবেদন এতিয়াও বিচাৰাধীন হৈ আছে।

..................................................

..............................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

. . . . . . . . . . . . . . . . . . . .